NATIONAL DAIRY DEVELOPMENT BOARD

গৰু-ম’হৰ কিছুমান বেমাৰৰ পৰম্পৰাগত চিকিৎসাবিধি

ইয়াত উল্লেখ কৰা তৰু-লতা, মছলা তথা অন্যান্য সামগ্ৰী সমূহ সাধাৰনভাবে নিৰাপদ বুলি গন্য কৰা হয় আৰু পৰামৰ্শমূলকহে। ৰোগ নিৰ্ণয় আৰু উপযুক্ত ব্যৱস্থাপনাৰ বাবে ওচৰৰ পশু চিকিৎসকৰ লগত যোগাযোগ কৰক।

প্ৰফেচাৰ ন. পূৰ্ণিয়ামূৰ্ত্তিৰ মাৰ্গদৰ্শনৰে কিতাপখন লিখা হৈছে (profpunniya@gmail.com) **অধিক খবৰৰ বাবে এই ঠিকনাত যোগাযোগ কৰক**: anand@nddb.coop

Purabi অসমৰ সোৱাদ

TDU INSTITUTE OF TRANSDISCIPLINARY HEALTH SCIENCES & TECHNOLOGY

ওহাৰ-ফুলা ৰোগ

পানী আধাৰিত অনুপ্ৰয়োগ

সামগ্ৰী: প্ৰতি দিনৰ বাবে
এলভেৰা-২৫০ গ্ৰাম, হালধি-৫০ গ্ৰাম (গোটা বা গুৰি), চুণ-১৫ গ্ৰাম, গোলনেমু-৬ টা

তৈয়াৰ পদ্ধতি:
(i) সম্পূৰ্ণ এটা এলভেৰাৰ পাত লওক আৰু সৰু-সৰুকৈ কাটক (পাতৰ সৰু কাঁইটী বিলাক আতৰাই লব) (ii) হালধি গুৰি আৰু চুনৰ লগত এলভেৰা খিনি পিষক। তৈয়াৰ হোৱা পেষ্টখিনি বগা হৈ পৰিব।

প্ৰয়োগ পদ্ধতি:
(i) ওহাৰখন ভালকৈ ধোৱক আৰু চাফা কৰক। গোটেই কেইটা বাতৰ পৰা সম্পূৰ্ণকৈ গাখীৰ খিৰাওক (অসুস্থতা বাতৰ পৰাও)। (ii) এমুঠি পেষ্ট লওক আৰু ভাত ২০০ মি. লি পানী মিহলাই পাতল কৰক। (iii) এই পাতলীয়া পেষ্টখিনি দিনে ১০ বাৰকৈ ৫ দিন লগাওক। প্ৰতিবাৰতে ওপৰোক্ত নিয়ম (১) মানি চলক। (iv) দিনটোৰ শেষৰ প্ৰয়োগ তেলৰ লগত কৰিব লাগে। (v) এবাৰত দুটাকৈ গোলনেমু (দুটুকুৰা কৰি) খুৱাওক (দিনে তিনিবাৰকৈ তিনি দিনৰ বাবে)

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

ওহাৰ-ফুলা ৰোগ

তেল আধাৰিত অনুপ্ৰয়োগ

সামগ্ৰী: প্ৰতি দিনৰ বাবে
এলভেৰা-২৫০ গ্ৰাম, হালধি-৫০ গ্ৰাম (গোটা বা গুৰি), চুণ-১৫ গ্ৰাম, গোলনেমু-৬ টা, সৰিয়হ বা তিল তেল-৬০০ মি. লি.

তৈয়াৰ পদ্ধতি:
(i) এলভেৰাৰ পাতকেইটা সৰু-সৰুকৈ কাটি লওক (কাঁইট আতৰাই লওক)। (ii) হালধি পাউডাৰৰ আৰু চুনৰ লগত পিটি পেলাওক, ৰঙচুৱা বৰনৰ হোৱাতেলেকে।

প্ৰয়োগ পদ্ধতি:
(i) ওহাৰখন ভালকৈ ধোৱক আৰু চাফা কৰক। গোটেই কেইটা বাতৰ পৰা সম্পূৰ্ণকৈ গাখীৰ খিৰাওক (অসুস্থতা বাতৰ পৰাও) আৰু ওহাৰখন শুকুৱাই লওক। (ii) এমুঠি পেষ্ট লওক আৰু ভাত ২০০ মি. লি সৰিয়হ বা তিল তেল তৈ পাতল কৰক। (iii) এই পাতলীয়া পেষ্টখিনি দিনে ৩ বাৰকৈ ৫ দিন লগাওক। প্ৰতিবাৰতে ওপৰোক্ত নিয়ম (১) মানি চলক। (iv) এবাৰত দুটাকৈ গোলনেমু (দুটুকুৰা কৰি) খুৱাওক (দিনে তিনিবাৰকৈ তিনি দিনৰ বাবে)

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

ওহাৰৰ বাত বন্ধ

সামগ্ৰী:
নতুনকৈ চিৰি অনা পৰিষ্কাৰ নিমপাতৰ ঠাৰি ১ দাল, হালধি পাউডাৰ, মাখন বা ঘিউ

তৈয়াৰ পদ্ধতি:
(i) নিমপাতৰ ঠাৰিডাল ওহাৰৰ বাতৰ দীঘ অনুপাতে টুকুৰা কৰি লওক।
(ii) নিমপাতৰ ঠাৰিডালত হালধি আৰু মাখন/ঘিউ ৰ মিশ্ৰন লগাওক।
(iii) আৰামৰ ওহাৰৰ বাতত্তো ভাল দৰে পৰিষ্কাৰ কৰি লব লাগে।

প্ৰয়োগ পদ্ধতি:
(i) এতিয়া এই নিমপাতৰ ঠাৰিডাল আলাম ওহাৰৰ বাতত ঘটীৰ কাটাৰ বিপৰীত দিশত পকাই-পকাই গোলোৱাই দিয়ক। (ii) প্ৰতিবাৰ গাখীৰ খিৰোৱাৰ পাচত নতুন নিমপাতৰ ঠাৰি ব্যৱহাৰ কৰক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

ওহাৰত পানী জমা হোৱা বেমাৰ

সামগ্ৰী: এবাৰৰ বাবে
তিল বা সৰিয়হৰ তেল- ২০০ মি.লি, হালধিগুৰি - এক মুঠি, নহক- দুমুঠী

তৈয়াৰ পদ্ধতি:
(i) ভেলিকেইটা দুটুকুৰাকৈ কাটক।

প্ৰয়োগ পদ্ধতি:
(i) পোৱালি হোৱাৰ দুই ঘণ্টাৰ ভিতৰত এটা মূলা খুৱাওক।
(ii) পোৱালি হোৱাৰ ৮ ঘণ্টাকৈ জল নসাৰিলে, ১.৫ কেজি ভেন্দি (টুকুৰা কৈ কটা) নিমখ আৰু গুৰৰ লগত খুৱাওক।
(iii) পোৱালি হোৱাৰ ১২ ঘণ্টাতেকৈ জল নসাৰিলে, ওলাই থকা অংশখিনিৰে এটা গাঁঠি মাৰক আৰু গাঁঠিৰ ২ ইঞ্চি তলৰ খিনি কাটি পেলাওক।
(iv) হাতেৰে আঙুলি জল আঁতৰাবলৈ প্ৰয়াস নকৰিব।
(v) সপ্তাহত এটাকৈ মূলা খুৱাওক চাৰি সপ্তাহৰ বাবে।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গৰুৰ সময়মতে জল নসৰা ৰোগ



সামগ্ৰী:
মূলা- ১টা, ভেন্দি- ১.৫ কেজি, গুৰ- প্ৰয়োজন মতে, নিমখ- প্ৰয়োজন মতে

তৈয়াৰ পদ্ধতি:
(i) ভেন্দিকেইটা দুটুকুৰাকৈ কাটক।

প্ৰয়োগ পদ্ধতি:
(i) পোৱালি হোৱাৰ দুই ঘণ্টাৰ ভিতৰত এটা মূলা খুৱাওক।
(ii) পোৱালি হোৱাৰ ৮ ঘণ্টাকৈ জল নসাৰিলে, ১.৫ কেজি ভেন্দি (টুকুৰা কৈ কটা) নিমখ আৰু গুৰৰ লগত খুৱাওক।
(iii) পোৱালি হোৱাৰ ১২ ঘণ্টাতেকৈ জল নসাৰিলে, ওলাই থকা অংশখিনিৰে এটা গাঁঠি মাৰক আৰু গাঁঠিৰ ২ ইঞ্চি তলৰ খিনি কাটি পেলাওক।
(iv) হাতেৰে আঙুলি জল আঁতৰাবলৈ প্ৰয়াস নকৰিব।
(v) সপ্তাহত এটাকৈ মূলা খুৱাওক চাৰি সপ্তাহৰ বাবে।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গৰু গাভিনী নহলে (বীৰ্য্য দানৰ পাছতো)

প্ৰয়োগ পদ্ধতি:
(i) গাই গৰমত অহাৰ প্ৰথমদিনা বা ঘিউীয়াদিনা চিকিৎসা আৰম্ভ কৰক।
(ii) ক্ৰম অনুসাৰে দিনে এবাৰকৈ তলত দিয়া সামগ্ৰীখিনি গুৰ আৰু নিমখৰ লগত মিহলাই খুৱাওক (প্ৰতিদিন নতুনকৈ বনাওক)
(a) দিনে এটাকৈ মূলা পাচ দিনৰ বাবে (b) দিনে এটাকৈ এলভেৰা পাত চাৰি দিনৰ বাবে (c) দিনে চাৰিমুঠিকৈ চকিনাপাত চাৰি দিনৰ বাবে (d) দিনে চাৰিমুঠিকৈ হাড়যোৰা লতাৰ গা গছ চাৰি দিনৰ বাবে (e) দিনে চাৰিমুঠিকৈ নৰসিংহ পাত চাৰি দিনৰ বাবে (হালধিৰ লগত) (f) গাই গাভিনী নহলে সময় চিকিৎসা পুনৰাই এবাৰ কৰিব লাগে।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গৰ্ভাশয় আংশিকভাবে বাহিৰ ওলাই আহিলে (প্ৰলাপছ)

সামগ্ৰী:
এলভেৰা জেল- এটা পুৰঠ পাতৰ, হালধিগুৰি- এটিকুতু,
লাজুকীলতা পাত- ২ মুঠি

তৈয়াৰ পদ্ধতি:
(i) এটা এলভেৰা পাতৰ সম্পূৰ্ণ জেল লওক।
(ii) পিচল-পিচল ভাব নোযোৱালৈকে জেলখিনি পানীৰে ধোৱক।
(iii) এটিকুতু হালধিগুৰি দিয়ক আৰু এক লিটাৰ পানী ধালি সেয়া আধা লিটাৰ হোৱালৈকে উডলাওক।
(iv) মিশনখিনি ঠেচা হবলৈ দিয়ক।
(v) লাজুকীলতা পাতখিনি পিহি লওক।

প্ৰয়োগ পদ্ধতি:
(i) প্ৰলাপছ হোৱা অংশখিনি পৰিষ্কাৰ কৰি লওক।
(ii) তাৰ ওপৰত জেলখিনি আছুলিৰ আগোৰে চতিয়াওক।
(iii) জেলখিনি শুকুওৱাৰ পাচত লাজুকীলতাৰ পিচাখিনি লগাওক।
(iv) ভাল নোহোৱালৈকে ব্যৱহাৰ কৰক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

চবকাৰোগৰ মুখৰ ঘাঁ নিৰাময়

সামগ্ৰী: প্ৰতিপালিৰ বাবে
জিৰা- ১০ গ্ৰাম,মেথি গুটি- ১০ গ্ৰাম, জালুক- ১০ গ্ৰাম, হালধি- ১০ গ্ৰাম, নহক- ৪ ফুটা, নাৰিকল- এটা, গুৰ-১২০ গ্ৰাম

তৈয়াৰ পদ্ধতি:
(i) জিৰা, মেথি গুটি আৰু জালুক খিনি ২০-৩০ মিনিট সময় পানীত তিয়াই ৰাখক।
(ii) গুৰখিচত সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।
(iii) মিশনখিনিত নাৰিকলৰ গুৰিখিনি হাতেৰে মিহলাওক।
(iv) প্ৰতিবাৰ নতুনকৈ মিশ্ৰন তৈয়াৰ কৰক।

প্ৰয়োগ পদ্ধতি:
(i) মুখ, জিভা আৰু তালুত ভালকৈ লগাওক।
(ii) দিনে তিনিবাৰকৈ তিনিৰ পৰা পাঁচদিন মিশ্ৰন লগাওক ।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

চবকাৰোগৰ ভৰিৰ ঘাঁ নিৰাময়

সামগ্ৰী:
একালাইছা ইনিকা পাত-এক মুঠি, নহক-১০ ফুটা, নিম পাত-১ মুঠি, নাৰিকল বা তিলতেল-৫০০ মি.লি., হালধি গুৰি-২০ গ্ৰাম, জেতুকা পাত-১ মুঠি, তুলসী পাত-১ মুঠি

তৈয়াৰ পদ্ধতি:
(i) সকলোখিনি সামগ্ৰীতৈ মিক্সীত পিচক।
(ii) মিশনখিনি ৫০০ মি লি নাৰিকল বা তিলতেলত মিহলাই উডলাওক আৰু ঠেচা হবলৈ দিয়ক।

প্ৰয়োগ পদ্ধতি:
(i) দিনে ৪-৫ বাৰকৈ আক্ৰান্ত জোৰাত লগাওক। (ii) দিনে দুবাৰকৈ গৰমপানীৰে সেক দিয়ক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

জ্বৰ

সামগ্ৰী: প্ৰতি দিনৰ বাবে
নহক-২ ফুটা, ধনিয়া - ১০ গ্ৰাম, জিৰা - ১০ গ্ৰাম, তুলসী-১ মুঠি, তেজ পাত-১০ গ্ৰাম, জালুক - ১০ গ্ৰাম, পান-৫ খিলা, অসমীয়া পিয়াজ-২ ফুটা, হালধি গুৰি-১০ গ্ৰাম, চিৰতা পাতৰ গুৰি-২০ গ্ৰাম, ওচিলাম বেসিলিকাম-১ মুঠি, নিম পাত- ১ মুঠি, গুৰ - ১০০ গ্ৰাম

তৈয়াৰ পদ্ধতি:
(i) জিৰা গুটি, হিঙ, আফু গুটি আৰু মেথি গুটি কেইটা ধোঁৱা ওলোৱাকৈ গৰম কৰক।
(ii) চেঁচা হবলৈ দিয়ক আৰু তাৰ পিচত সকলোখিনি গুৰি কৰক।
(iii) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।

প্ৰয়োগ পদ্ধতি:
(i) পিচাখিনিৰে সৰু-সৰু লাড়ু বনাওক।
(ii) অলপ-অলপকৈ দিনে এবাৰকৈ এদিনৰ পৰা তিনিদিন পৰ্য্যন্ত খুৱাওক ভাল নোহোৱালৈকে।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

পেটৰ অসুখ

সামগ্ৰী: প্ৰতি দিনৰ বাবে
মেথি গুটি- ১০ গ্ৰাম, পিয়াজ - এটা, নহক- ১ফুটা, জিৰা গুটি- ১০ গ্ৰাম, হালধি- ১০ গ্ৰাম, নৰসিংহ পাত- ১ মুঠি, আফু গুটি- ৫ গ্ৰাম, জালুক- ১০ গ্ৰাম, গুৰ- ১০০ গ্ৰাম, হিঙ- ৫ গ্ৰাম

তৈয়াৰ পদ্ধতি:
(i) জিৰা গুটি, হিঙ, আফু গুটি আৰু মেথি গুটি কেইটা ধোঁৱা ওলোৱাকৈ গৰম কৰক।
(ii) চেঁচা হবলৈ দিয়ক আৰু তাৰ পিচত সকলোখিনি গুৰি কৰক।
(iii) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।

প্ৰয়োগ পদ্ধতি:
(i) পিচাখিনিৰে সৰু-সৰু লাড়ু বনাওক।
(ii) দিনে তিনি-চাৰি বাৰকৈ তিনি দিন খুৱাওক (অলপ-অলপকৈ নিমখৰ লগত)।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

পেটফুলা আৰু বদহজমি ৰোগ

সামগ্ৰী: প্ৰতি দিনৰ বাবে
পিয়াজ-এটা, নহক-৫ ফুটা, সৰিয়হগুটি-১০ গ্ৰাম, নিমপাত- ১ মুঠি, জিৰা-১০ গ্ৰাম, তিতা কেৰেলা-৫০ গ্ৰাম, হালধি-৫ গ্ৰাম, জালুক-৫ গ্ৰাম, কলগছ-১০০ গ্ৰাম, দোৰোণপৰন-১ মুঠি, গুৰ-১০০ গ্ৰাম

তৈয়াৰ পদ্ধতি:
(i) জালুক, জিৰা আৰু সৰিয়হ গুটিকেইটা ৩০ মিনিটমান সময় পানীত তিয়াই ৰাখক।
(ii) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।

প্ৰয়োগ পদ্ধতি:
(i) পিচাখিনিৰে সৰু-সৰু লাড়ু বনাওক।
(ii) দিনে এবাৰকৈ তিনিদিন খুৱাওক (অলপ-অলপকৈ নিমখৰ লগত)।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

পেটৰ পেলু

সামগ্ৰী: প্ৰতি দিনৰ বাবে
পিয়াজ-এটা, নহক-৫ ফুটা, সৰিয়হগুটি-১০ গ্ৰাম, নিমপাত- ১ মুঠি, জিৰা-১০ গ্ৰাম, তিতা কেৰেলা-৫০ গ্ৰাম, হালধি-৫ গ্ৰাম, জালুক-৫ গ্ৰাম, কলগছ-১০০ গ্ৰাম, দোৰোণপৰন-১ মুঠি, গুৰ-১০০ গ্ৰাম

তৈয়াৰ পদ্ধতি:
(i) জালুক, জিৰা আৰু সৰিয়হ গুটিকেইটা ৩০ মিনিটমান সময় পানীত তিয়াই ৰাখক।
(ii) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।

প্ৰয়োগ পদ্ধতি:
(i) পিচাখিনিৰে সৰু-সৰু লাড়ু বনাওক।
(ii) দিনে এবাৰকৈ তিনিদিন খুৱাওক (অলপ-অলপকৈ নিমখৰ লগত)।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

চিকৰা/ছালৰ পৰজীৱী

সামগ্ৰী:
নহক- ১০ ফুটা, নিম পাত- ১ মুঠি, নিমৰ গুটি- ১ মুঠি, বচ(একৰাচ কেলামাছ)ৰ শিপা- ১০ গ্ৰাম, হালধি গুৰি- ২০ গ্ৰাম, গো ফুলৰ পাত- ১ মুঠি, তুলসী পাত - ১ মুঠি

তৈয়াৰ পদ্ধতি:
(i) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।
(ii) ১ লিটাৰ পানী মিহলাওক।
(iii) মিহি চকনিৰে মিশনখিনি চেকক।
(iv) স্প্ৰে কৰিব পৰাকৈ মিশনখিনি এটা বটলত ৰাখক।

প্ৰয়োগ পদ্ধতি:
(i) গাই জনীৰ সমস্ত শ্বীৰেৰে মিশ্ৰনখিনি স্প্ৰে কৰক।
(ii) লগতে চোহালিৰ বেৰ-খুটা আদিলৈ মিশনখিনি স্প্ৰে কৰক।
(iii) স্প্ৰে কৰাৰ সময়ে মিশ্ৰন কাপোৰেৰে ভিজাইও লগাব পাৰে।
(iv) সম্পূৰ্ণ ভাল নোহোৱালৈকে সপ্তাহত এবাৰকৈ স্প্ৰে কৰক।
(v) নিমৰ ৰস থকা সময়খিনিৰ ভিতৰতে স্প্ৰে কৰক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গো বসন্ত/ৰাৰ্ট/ওহাৰৰ ছাল ফাটিলে

সামগ্ৰী:
নহক- ৫ ফুটা, হালধি গুৰি - ১০ গ্ৰাম, জিৰা- ১৫ গ্ৰাম, ওচিলাম বেসিলিকাম- এক মুঠি, নিম পাত- এক মুঠি, মাখন/ঘিউ- ৫০ গ্ৰাম

তৈয়াৰ পদ্ধতি:
(i) জিৰা খিনি ২৫ মিনিট সময় পানীত তিয়াই ৰাখক।
(ii) তাৰপিচত সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক।
(iii) পিচাখিনিত মাখন মিহলাওক।

প্ৰয়োগ পদ্ধতি:
(i) বেমাৰ আক্ৰান্ত ঠাইত মিশনখিনি ঘিমান বাৰ পাৰে লগাওক -ভাল নোহোৱালৈকে।
(ii) ছালখন ভালকৈ শুকোৱাৰ পাচতহে মিশ্ৰন লগোৱা উচিত।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

এলাৰ্জি/ বিষক্ৰিয়া/ বিষাক্ত ডাক/ কামোৰ

সামগ্ৰী: প্ৰতিপালিৰ বাবে
(তিনি ৰঙা: তামিল পাৰম্পৰিক সিদ্ধা বিদ্যা মতে)
পান - ১০ খিলা, জালুক - ১০ গ্ৰাম, নিমখ- ১০ গ্ৰাম,গুৰ- প্ৰয়োজন মতে

তৈয়াৰ পদ্ধতি:
(i) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক। (ii) গুৰৰ লগত প্ৰয়োজন মতে মিহলি কৰক।

প্ৰয়োগ পদ্ধতি:
(i) অলপ-অলপ কৰি খুৱাওক। (ii) দিনে তিনিবাৰকৈ দুই সপ্তাহ খুৱাওক

টোকা:
বিকল্পভাবে, সংকটজনক অৱস্থাত, প্ৰতি এক ঘণ্টাৰ মূৰে মূৰে ২-৩ গ্ৰাম পাল চকুত দিব পাৰা যায় (গুৰ নসনাকৈ)।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

জোৰাত হোৱা টেমুনা

সামগ্ৰী:
এলভেৰা- ১০০ গ্ৰাম, চুণ- ১০ গ্ৰাম, হাড়যোৰৰ গাগছ - ১০০ গ্ৰাম, হালধি- ১৫ গ্ৰাম, নহক- ৫ ফুটা, তিল তেল -১ লিটাৰ

তৈয়াৰ পদ্ধতি:
(i) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক। (ii) সকলোখিনি পেষ্ট এক লিটাৰ তিল তেলত ভতৰাই লওক আৰু ঠেচা হব দিয়ক।

প্ৰয়োগ পদ্ধতি:
(i) দিনে ৪-৫ বাৰকৈ আক্ৰান্ত জোৰাত লগাওক। (ii) দিনে দুবাৰকৈ গৰমপানীৰে সেক দিয়ক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

কাহ হলে

সামগ্ৰী: প্ৰতি দিনৰ বাবে
বাহক/তিতাবাহক- এপাত, তুলসী- এমুঠি, নহক- ৫ ফুটা, হালধি- ১৫ গ্ৰাম, জালুক - ১০ গ্ৰাম, গুৰ- প্ৰয়োজন মতে

তৈয়াৰ পদ্ধতি:
(i) জালুক খিনি ২৫-৩০ মিনিটমান তিয়াই থওক আৰু গুড়ি কৰি লওক। (ii) সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক আৰু গুৰৰ লগত প্ৰয়োজন মতে মিহলি কৰি খুৱাওক।

প্ৰয়োগ পদ্ধতি:
দিনে দুই-তিনি বাৰকৈ খুৱাওক, আৰোগ্য নোহোৱালৈকে।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গৰু উঠিব নোৱাৰা হলে (সাধাৰণতে প্ৰসৱৰ পাচত)

সামগ্ৰী: প্ৰতিপালিৰ বাবে
দেশী কুকুৰা কনী -২ টা, চিজিনা পাত- ৪ মুঠি, হাড়যোৰৰ গাগছ - ৪ মুঠি, গুৰ- প্ৰয়োজন মতে

তৈয়াৰ পদ্ধতি:
(i) দুটা কেঁচা কনী লওক। (ii) চিজিনা পাত আৰু হাড়যোৰৰ গাগছ বেলেগ-বেলেগকৈ গুৰৰ লগত পিচি লওক।

প্ৰয়োগ পদ্ধতি:
(i) এবাৰত দুটাকৈ কনী (খোল সহিত) খুৱাওক। এইদৰে দিনে তিনিবাৰকৈ খুৱাওক (গুৰুত্বৰ আগতে কনীৰ খোলড় সৰকৈ ফুটা এটা কৰি দিব)। (i) চিজিনা পাত আৰু হাড়যোৰৰ গাগছৰ পিচা এটাৰ পাচত আনটোকৈ প্ৰত্যেক দুই ঘণ্টাৰ মূৰে-মূৰে খুৱাওক (এবাৰত চাৰি মুঠিকৈ)। (iii) ৪ দিনলৈকে পশুটোক উঠাবলৈ চেষ্টা নকৰিব।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

কীটনাশকৰ বিষক্ৰিয়া/হাইড্ৰচায়েনিক এচিদৰ বিষক্ৰিয়া/ভেঁকুৰৰ বিষক্ৰিয়া

সামগ্ৰী:
তিনি ৰঙা: প্ৰতিপালিৰ বাবে
পান- ১০ খিলা, জালুক - ১০ গ্ৰাম, নিমখ- ১০ গ্ৰাম, গুৰ- প্ৰয়োজন মতে
অন্য প্ৰস্তুতি : প্ৰতি দিনৰ বাবে
তেঁতেলী - ১ কেঁচলি, পানী- ১ লিটাৰ, ১ কেজি চিজিনাপাতৰ ৰস

তৈয়াৰ পদ্ধতি:
তিনি ৰঙাৰ প্ৰস্তুত পদ্ধতি:
(i) পান, জালুক, নিমখ সকলোখিনি সামগ্ৰী তৈ মিক্সীত পিচক। (ii) গুৰৰ লগত প্ৰয়োজনমতে সানক।
অন্য প্ৰস্তুতি (প্ৰতি দিনৰ বাবে):
(i) গুলিবিহীন তেঁতেলীখিনি ১৫ মিনিট তিয়াই থওক। (ii) তাৰপিচত ৰসখিনি ফ্ৰেণ্ট ডেলিয়াই লওক। (iii) তাত পানী, গুৰ, চিজিনাপাতৰ ৰসখিনি মিহলাওক। (iv) ভালদৰে মিহলাই লওক।

প্ৰয়োগ পদ্ধতিঃ
(i) তিনি ৰঙাৰ প্ৰথমপালি খোৱাওক । (ii) ২০০ মিলি তেতেলি-গুৰ-চিজিনাৰ ডাঠ মিশ্ৰন প্ৰতি দুখন্টাৰ মূৰে মূৰে খোৱাওক।(iii) তাৰ মাজে-মাজে তিনিৰঙাৰ অলপমান অলপ-অলপ কৰি খুৱাওক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গাখীৰত তেজ আহিলে

সামগ্ৰী: প্ৰতি দিনৰ বাবে
নৰসিংহ পাত- ২ মুঠি, চিজিনা পাত- ২ মুঠি, গুৰ- ১০০ গ্ৰাম, গোলনেমু-৬ টা

তৈয়াৰ পদ্ধতি:
নৰসিংহ পাত আৰু চিজিনা পাত গুৰৰ লগত একেলগে তৈ মিক্সীত পিচক। গোলনেমু দুটা দুটুকুৰাকৈ কাতি লওক।

প্ৰয়োগ পদ্ধতি:
(i) দিনে দুবাৰকৈ খুৱাওক ভাল নোহোৱালৈকে
(ii) এবাৰত দুটাকৈ গোলনেমু (দুটুকুৰা কৰি) খোৱাওক (দিনে তিনিবাৰকৈ তিনি দিনৰ বাবে)

বি.দ্ৰ. :
ওহাৰ ফুলা ৰোগৰ পাৰম্পৰিক চিকিৎসাও লগতে কৰক।

ভিডিঅ' চোৱাৰ বাবে এপ্ৰইড ফোনত কিউ.আৰ. কোড স্কেন কৰক।

গাই গৰমত নাহিলে

তৈয়াৰ পদ্ধতি:
দিনে দুবাৰকৈ ভলত দিয়া সামগ্ৰীখিনি ক্ৰম অনুসাৰে গুৰ আৰু নিমখৰ লগত মিহলাই খুৱাওক (প্ৰতিদিন নতুনকৈ বনাওক):
(i) এটা মূলা দিনে দুবাৰকৈ পাচ দিনৰ বাবে (ii) এপাত এলভেৰা দিনে দুবাৰকৈ